অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০০৯/০৬/২০২৫-২৬ তাৰিখ ঃ ০৭-০১-২০২৬
Ref : Date :

# অসম জাতীয় বিদ্যালয়ত সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা প্ৰথম স্থানত যোৰহাটৰ জস্মিঠা কলিতা

**নুনমাটি, গুৱাহাটী, ৭ জানুৱাৰী ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আজি অসম জাতীয় বিদ্যালয় প্ৰাংগণত আন্তঃ জাতীয় বিদ্যালয় ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত ৰাজ্যখনৰ ২২ খন জিলাৰ ৪৫ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিখন জিলাই প্ৰথমে জিলাভিত্তিক ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰি দুগৰাকীকৈ প্ৰতিযোগী নিৰ্বাচন কৰি ৰাজ্যিক ভিত্তিৰ প্ৰতিযোগিতালৈ প্ৰেৰণ কৰিছিল। পুৱা ৯.৩০ বজাৰ পৰা অনুষ্ঠিত এই প্ৰতিযোগিতাৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই। অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সমন্বয়ক তথা বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে অসমৰ স্বনামধন্য সংগীতজ্ঞ ৰমেন চৌধুৰী, কমল কটকী আৰু আলেখ্য চক্ৰৱৰ্তী। অনুষ্ঠানৰ আৰম্ভণিতে সকলোকে উদ্দেশ্যি ভাষণ প্ৰদান কৰে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে যে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আয়োজন কৰা এনেধৰণৰ অনুষ্ঠানবোৰ শিক্ষাৰ এক অবিচ্ছেদ্য অংশ। শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশৰ সুযোগৰ বাবে এনেধৰণৰ অনুষ্ঠানবোৰে সুবিধা প্ৰদান কৰে বুলি তেওঁ উল্লেখ কৰে। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই আজিৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত ডা° নাৰায়ণ শৰ্মাই শংকৰদেৱ, মাধৱদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্য চৰ্চা কৰাৰ দৰে শিক্ষাৰ্থীসকলে ড° ভূপেন হাজৰিকাৰ গীত, সাহিত্যৰো নিয়মীয়া চৰ্চা কৰা উচিত বুলি মন্তব্য কৰে। ড° ভূপেন হাজৰিকাৰ গীতত নিহিত হৈ থকা বিভিন্ন প্ৰসংগক উপলব্ধি কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক তেওঁ অনুৰোধ জনায়। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ঢেকিয়াজুলি জাতীয় বিদ্যালয়, যোৰহাটৰ জস্মিঠা কলিতাই। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ৰূপকোঁৱৰ জাতীয় বিদ্যালয়, তিনিচুকীয়াৰ জেচিম নয়ন বৰুৱা আৰু অসম জাতীয় বিদ্যালয়, নুনমাটিৰ নিষ্ঠা বৰগোহাঁই। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে ক্ৰমে উৰণপখী ভৱন, গোলাঘাটৰ হৰিপ্ৰিয়া গগৈ; সাহিত্যৰথী জাতীয় বিদ্যালয়, ডিব্ৰুগড়ৰ দিক্ষিতা বৰুৱা; গোলাঘাট জাতীয় বিদ্যালয়ৰ দেৱিকা গগৈ; শংকৰদেৱ বিদ্যা মন্দিৰ, শিৱসাগৰৰ সুকন্যাবৰুৱা; অভিজ্ঞান জাতীয় বিদ্যালয়, লখিমপুৰৰ হিমাংশু বৰা আৰু ঘগুৱা জাতীয় বিদ্যালয়, মৰিগাঁৱৰ মেঘনা কোঁৱৰে। প্ৰতিযোগিতাত প্ৰথম স্থানপ্ৰাপ্ত প্ৰতিযোগীক এটি ট্ৰফী, মান-পত্ৰ, লগতে নগদ ১০,০০০.০০ টকা পুৰস্কাৰ হিচাপে আগবঢ়োৱা হয়। দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ প্ৰতিযোগীলৈ ট্ৰফী, মান-পত্ৰৰ লগতে যথাক্ৰমে ৭,০০০.০০ আৰু ৫,০০০.০০ টকা আগবঢ়োৱা হয়। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকললৈ নগদ ৩,০০০ টকা, কিতাপ আৰু মান-পত্ৰ আগবঢ়োৱা হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অজাবি শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী, অপৰাজিতা দত্ত, জুৰি গোস্বামী আৰু শিক্ষক ভাস্কৰ জ্যোতি হালৈয়ে। আজিৰ এই আন্তঃ জাতীয় বিদ্যালয় ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আহ্বায়কৰ দায়িত্বত আছিল অজাবি শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱা।

| | | | |
|---|---|---|---|
| (দিলীপ কুমাৰ দত্ত চৌধুৰী) | (ডা° নাৰায়ণ শৰ্মা) | (ঘনশ্যাম মেধি) | (অসীম কৃষ্ণ বৰুৱা) |
| সভাপতি | সচিব | অধ্যক্ষ | সমন্বয়ক |
| অজাবি শিক্ষা সংসদ | অজাবি শিক্ষা সংসদ | অসম জাতীয় বিদ্যালয় | অজাবি শিক্ষা সংসদ |